# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-MAR-2026
**Time :** 1910 HRS

## *Assamese Evening Bulletin*
### *Headlines*

———————————————————

ooooo

১। সংসদ ভৱনত আজি বিয়লি পশ্চিম এছিয়া সংঘাত বিষয়ত চৰকাৰে আহ্বান জনোৱা সৰ্বদলীয় বৈঠক অনুষ্ঠিত হৈছে।

২। দেশত ২৬ কোটি টন খাৰুৱা তেল শোধনৰ সামৰ্থ্য আছে বুলি চৰকাৰে প্ৰকাশ কৰিছে।

৩। অসমৰ মুঠ ১২৬টা বিধানসভা সমষ্টিৰ ১২৫টা সমষ্টিত মনোনয়ন পত্ৰ পৰীক্ষা কৰাৰ অন্তত ৭৮৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে।

৪। ২০২৬-২৭ বিত্তীয় বৰ্ষত ভাৰতত অৰ্থনৈতিক বিকাশৰ হাৰ ৭ দশমিক ১ শতাংশ হোৱাৰ সম্ভাৱনা আছে বুলি আমেৰিকাৰ এটা বিত্তীয় বিশ্লেষণ প্ৰতিষ্ঠানৰ শেহতীয়া প্ৰতিবেদনত প্ৰকাশ পাইছে।

আৰু

৫। চত্তীশগড়ত আজি প্ৰথম খেলো ইণ্ডিয়া ট্ৰাইবেল গেমছ্‌ আৰম্ভ হৈছে।

ooooo

সংসদ ভৱনত আজি বিয়লি পশ্চিম এছিয়া সংঘাত বিষয়ত চৰকাৰে আহ্বান জনোৱা সৰ্বদলীয় বৈঠক অনুষ্ঠিত হৈছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সৰ্বদলীয় বৈঠকখনত সভাপতিত্ব কৰে। বৈঠকত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰ, পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজু উপস্থিত থাকে। এই বৈঠকত জনতা দল ইউনাইটেডৰ কাৰ্যকৰী সভাপতি সঞ্জয় ঝা আৰু ৰাজীৱ ৰঞ্জন সিং, কংগ্ৰেছ্‌ দলৰ নেতা মুকুল ৱাছনিক আৰু তাৰিক আনোৱাৰ। চি পি আই এমৰ সাংসদ জন ব্ৰিট্টাছ্‌, সমাজবাদী পাৰ্টীৰ ধৰ্মেন্দ্ৰ যাদৱৰ লগতে অন্যান্য বিৰোধী দলসমূহৰ নেতাসকলো বৈঠকখনত উপস্থিত থাকে। পশ্চিম এছিয়া সংঘাতৰ বাবে অঞ্চলটোত বৃদ্ধি পোৱা তীব্ৰ উত্তেজনা আৰু সামুদ্ৰিক পথত চলাচল ব্যাহত হোৱাৰ পৰিপ্ৰেক্ষিতত এই বৈঠক অনুষ্ঠিত কৰা হৈছে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোদীয়ে পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত সংসদক সম্বোধন কৰাৰ পাছতেই হোৱা এই সৰ্বদলীয় বৈঠক অনুষ্ঠিত হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ইৰাণ-ইজৰাইল-আমেৰিকাৰ সংঘাতৰ প্ৰভাৱ কম কৰাৰ বাবে চৰকাৰে ইন্ধন আৰু সাৰৰ যোগান ব্যৱস্থাৰ কৌশল নিৰূপন কৰিবৰ বাবে সাতটা ক্ষমতাশালী গোট গঠন কৰিছে।

ooooo

দেশত ২৬ কোটি টন খাৰুৱা তেল শোধনৰ সামৰ্থ্য আছে বুলি চৰকাৰে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি আয়োজিত পশ্চিম এছিয়াৰ শেহতীয়া ঘটনাক্ৰম সম্পৰ্কীয় এখন আন্তঃমন্ত্ৰালয় পৰ্যায়ৰ সংবাদমেলত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ্‌ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই এই কথা স্পষ্ট কৰে। তেওঁ কয়, যে

পেট্ৰ'ল আৰু ডিজেলৰ মূল্য বৃদ্ধি কৰা হোৱা নাই। তেওঁ লগতে জনসাধাৰণক উৰা বাতৰিত বিশ্বাস নকৰিবলৈ আহ্বান জনায়। পাইপযোগে প্ৰাকৃতিক গেছ্ যোগান ব্যৱস্থাৰ সম্প্ৰসাৰণ সন্দৰ্ভত তেওঁ কয়, যে চৰকাৰে বিষয়টোত গুৰুত্ব দিছে আৰু সকলো ৰাজ্যত পাইপযোগে প্ৰাকৃতিক গেছ যোগানৰ সংযোগ সম্পৰ্কীয় আবেদন মাচুল আৰু অনুমোদনৰ সময়সীমাৰ বাধা দূৰ কৰাৰ উদ্দেশ্যে কালি এখন ৰাজপত্ৰিত অধিসূচনা জাৰি কৰা হৈছে। যোৱা প্ৰায় ২৫ দিনত ২ লাখ ৫০ হাজাৰৰো নতুন সংযোগ প্ৰদান কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। ইয়াৰ উপৰি প্ৰায় ২ লাখ ২০ হাজাৰ গ্ৰাহকে ৰন্ধন গেছৰ পৰিৱৰ্তে পাইপযোগে যোগান ধৰা প্ৰাকৃতিক গেছ্ ব্যৱহাৰ কৰিবলৈ লৈছে বুলি তেওঁ উল্লেখ কৰে।

সংবাদমেলত বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰালয়ৰ বিশেষ সচিব ৰাজেশ কুমাৰ সিন্‌হাই কয়, যে বিগত ২৪ ঘণ্টাত ৫০ গৰাকী ভাৰতীয় নাৱিকক নিৰাপদে স্বদেশলৈ ঘূৰাই অনা হৈছে। এই সময়ছোৱাত ভাৰতীয় জাহাজ অথবা নাৱিকৰ সৈতে জড়িত কোনো ঘটনা পোহৰলৈ অহা নাই বুলি তেওঁ জানিবলৈ দিয়ে। শ্ৰীসিন্‌হাই কয়, যে সম্প্ৰতি উপ-সাগৰীয় অঞ্চলত ভাৰতীয় ধবজা বহনকাৰী প্ৰায় ২০ খন জাহাজ আৰু ৫৪০ গৰাকী নাৱিক আৱদ্ধ হৈ আছে আৰু তেওঁলোক নিৰাপদে আছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিছানায়েকেৰ সৈতে কথা পাতিছে। প্ৰধানমন্ত্ৰীয়ে গোলকীয় সুস্থিৰতাৰ বাবে হৰমুজ প্ৰণালী মুক্ত আৰু নিৰাপদ কৰি ৰখাৰ স্বাৰ্থত শীঘ্ৰেই অঞ্চলটোত শান্তি বাহাল কৰিবলৈ আহ্বান জনাইছে। তেওঁ কয়, যে ভাৰতে অঞ্চলটোত আৱদ্ধ হৈ থকা ইয়াৰ নাগৰিকসকলক নিৰাপদে ঘূৰাই অনাৰ বাবে ইৰানকে ধৰি আঞ্চলিক পক্ষসমূহৰ সৈতে আলোচনা চলাই আছে। আৰ্মেনিয়া আৰু আজাৰবাইজানৰ পথেৰে ভাৰতীয় নাগৰিকসকলক ঘূৰাই অনাৰ প্ৰক্ৰিয়া চলি আছে বুলি তেওঁ মন্তব্য কৰে।

ooooo

অসমৰ মুঠ ১২৬টা বিধানসভা সমষ্টিৰ ১২৫টা সমষ্টিত মনোনয়ন পত্ৰ পৰীক্ষা কৰাৰ অন্তত ৭৮৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে। দুগৰাকী প্ৰাৰ্থীৰ বিৰুদ্ধে অভিযোগ-প্ৰতি অভিযোগৰ পৰিপ্ৰেক্ষিতত কালি মনোনয়ন পত্ৰৰ পৰীক্ষা স্থগিত ৰখা শোণিতপুৰৰ ঢেকিয়াজুলি সমষ্টিৰ দুয়োগৰাকীৰে মনোনয়ন বৈধ বুলি ঘোষণা কৰা হৈছে। এনে প্ৰেক্ষাপতত সমষ্টিটোত ১০ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱাটো বৰ্তমানলৈ নিশ্চিত হৈছে। আনহাতে মনোনয়নৰ পৰীক্ষা স্থগিত ৰখা বৰপেটা সমষ্টিত পৰীক্ষণ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত আজি কংগ্ৰেছ প্ৰাৰ্থীগৰাকীৰ মনোনয়ন পত্ৰ বাতিল কৰা হয়।

মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময় কাইলৈ বিয়লি ৩ বজা পৰ্যন্ত নিৰ্ধাৰণ কৰা হৈছে।

ooooo

বৰ্তমানৰ ভূ-ৰাজনৈতিক উত্তেজনা সত্ত্বেও ২০২৬-২৭ বিত্তীয় বৰ্ষত ভাৰতত অৰ্থনৈতিক বিকাশৰ হাৰ ৭ দশমিক ১ শতাংশ হোৱাৰ সম্ভাৱনা আছে বুলি Standard & Poors নামৰ আমেৰিকাৰ বিত্তীয় বিশ্লেষণ প্ৰতিষ্ঠানৰ শেহতীয়া প্ৰতিবেদনত প্ৰকাশ পাইছে। প্ৰতিষ্ঠানটোৰ প্ৰতিবেদনত বৰ্ধিত ঘৰুৱা চাহিদা, ৰপ্তানি আৰু ব্যক্তিগত বিনিয়োগৰ ক্ৰমবৰ্ধিত উত্থানৰ বাবে ভাৰত বিশ্বৰ দ্ৰুত বিকাশশীল অৰ্থ ব্যৱস্থাসমূহৰ অন্যতম হৈ থাকিব বুলি উল্লেখ কৰা হৈছে। এছীয় প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ অৰ্থনৈতিক বৃদ্ধিৰ হাৰ স্থিৰ হৈ আছে আৰু অন্য গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থাসমূহৰ সৈতে ভাৰত মূল চালিকা শক্তিত পৰিণত হৈছে। চীনক বাদ দি অঞ্চলটোত ২০২৬ চনত বিকাশৰ হাৰ চাৰে চাৰি শতাংশ হ'ব বুলি আশা কৰা হৈছে। প্ৰযুক্তিৰ

সৈতে জড়িত খণ্ডসমূহৰ উন্নত প্ৰদৰ্শন আৰু যিকোনো পৰিস্থিতিৰ জোৰা মাৰিব পৰা ঘৰুৱা গতিবিধিৰ বাবে বিকাশৰ হাৰ এনেদৰে অব্যাহত থাকিব বুলি কোৱা হৈছে। গোলকীয় পৰ্যায়ত শক্তিৰ মূল্যৰ উত্থান-পতন সত্বেও মুদ্ৰাস্ফীতি পৰিচালন অনুকুল ৪ দশমিক ৩ শতাংশলৈ হ্ৰাস পাব বুলি অনুমান কৰা হৈছে।

ooooo

কোভিড মহামাৰীৰ পৰৱৰ্তী সময়ত দেশত নতুনকৈ প্ৰায় এহেজাৰ ২৪ খন ৰে'লগাড়ীৰ চলাচল আৰম্ভ হৈছে। ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি লোকসভাত এই তথ্য প্ৰকাশ কৰে। সদনৰ শূন্যকালত উত্থাপিত প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে লগতে কয় যে এই সময়ছোৱাত, পূৰ্বৰ পৰা চলি থকা ৰে'লগাড়ীসমূহত ৪ হেজাৰ ৬৫১ টা ডবাও নতুনকৈ সংযোজিত কৰা হৈছে। ৰে'ল সেৱাক দেশৰ দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ বাবে যাতায়াতৰ সহজ মাধ্যম বুলি অভিহিত কৰি শ্ৰীবৈষ্ণৱে কয় যে এই শ্ৰেণীৰ লোকসকললৈ সুচল তথা ব্যয়সাধ্য পৰিবহন সেৱা আগবঢ়োৱাৰ প্ৰতি চৰকাৰে গুৰুত্ব আৰোপ কৰি আহিছে। দেশত চলি থকা ৰে'লগাড়ীসমূহৰ মুঠ আসনৰ ৭৮ শতাংশই সাধাৰণ আৰু শ্লীপাৰ শ্ৰেণীৰ অন্তৰ্ভুক্ত বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

লোকসভাত আজি ঋণ পৰিশোধৰ অক্ষমতা আৰু দেউলীয়া সংহিতা সংশোধনী বিধেয়ক ২০২৫ বিবেচনা আৰু গৃহীতৰ বাবে গ্ৰহণ কৰিছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে এই সংশোধনী বিধেয়কখন উত্থাপন কৰে। আলোচনাত অংশগ্ৰহণ কৰি বিজেপিৰ সাংসদ অনুৰাগ গোৰেলে কয় যে ভাৰতীয় অৰ্থব্যৱস্থাত বিগত ১১ বছৰত উল্লেখনীয় পৰিৱৰ্তন দৃষ্টিগোচৰ হৈছে।

ooooo

ৰাজ্যসভাই আজি অলপতে ৮৯ বছৰ বয়সত দেহাৱসান ঘটা প্ৰাক্তন সদস্য দত্তা মেঘলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ যোৱা এপ্ৰিলৰ পৰা ৰাজ্যসভাৰ সদস্যা হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। তেওঁ লোকসভাৰ সদস্য হিচাপেও চাৰিটা কাৰ্যকালৰ বাবে নিৰ্বাচিত হৈছিল। ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে কয় যে দত্তা মেঘৰ মৃত্যুত ৰাষ্ট্ৰই এগৰাকী দক্ষ সাংসদ, প্ৰবীণ বিধায়ক আৰু নিষ্ঠাবান সমাজকৰ্মীক হেৰুৱালে।

ooooo

চত্তীশগড়ত আজি প্ৰথম খেলো ইণ্ডিয়া ট্ৰাইবেল গেমছ আৰম্ভ হৈছে। ৩ এপ্ৰিললৈ চলিবলগীয়া এই প্ৰতিযোগিতাত এথলেটিকছ, হকী, ফুটবল, আৰ্চাৰী, মল্লযুঁজ, ভাৰোত্তলন, সাঁতোৰৰ বিভিন্ন শিতানৰ খেলসমূহ অনুষ্ঠিত হ'ব। চত্তিশগড়ৰ ৰায়পুৰ, জগদলপুৰ আৰু অম্বিকাপুৰত এই খেলসমূহ অনুষ্ঠিত হ'ব। ৰায়পুৰত ফুটবল, হকী, কাবাডী, সাঁতোৰ, ভাৰোত্তলন আৰু আৰ্চাৰীৰ খেলসমূহ খেলোৱা হ'ব। সমগ্ৰ দেশৰ ৩০ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৩ হাজাৰতকৈও অধিক খেলুৱৈ আৰু কৰ্মকৰ্তাই এই প্ৰতিযোগতাত অংশগ্ৰহণ কৰিছে। ৰায়পুৰত আজি ইয়াৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই এই প্ৰতিযোগিতা উদ্বোধন কৰে।

ooooo

সমাপ্ত